**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 6-09-2025
**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰৱৰ্তী প্ৰজন্মৰ সামগ্ৰী আৰু সেৱা কৰ জি এছ্ টিৰ সংস্কাৰেৰে মধ্যবিত্ত শ্ৰেণীৰ পৰিয়ালসমূহক সকাহ প্ৰদান কৰা বুলি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

২। দেশৰ যুৱ প্ৰজন্মৰ সৱলীকৰণৰ উদ্দেশ্যে কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত **কেম্পাছ টেংক** শীৰ্ষক উচ্চ পৰ্যায়ৰ ষ্টাৰ্টআপ অভিযানৰ শুভাৰম্ভ কৰে।

৩। বিগত কিছুদিন ধৰি সংহাৰী ৰূপ ধাৰণ কৰা পাঞ্জাবৰ বান পৰিস্থিতি ক্ৰমাৎ নিয়ন্ত্ৰলৈ আহিছে।

৪। আজি অনন্ত চতুৰ্দশীৰ দিনটোত মুম্বাইৰ গণেশ উৎসৱৰ সামৰণি পৰাৰ লগে লগে চহৰখনৰ বিভিন্ন অঞ্চলত দুহেজাৰতকৈ অধিক গণেশৰ মূৰ্তি বিসৰ্জন দিয়া হৈছে।

আৰু

৫। বিহাৰৰ ৰাজগিৰত অনুষ্ঠিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি ভাৰত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰৱৰ্তী প্ৰজন্মৰ সামগ্ৰী আৰু সেৱা কৰ জি এছ্ টিৰ সংস্কাৰেৰে মধ্যবিত্ত শ্ৰেণীৰ পৰিয়ালসমূহক সকাহ প্ৰদান কৰা বুলি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীবৈষ্ণৱে কয় যে জি এছ্ টিৰ সংস্কাৰে দেশৰ মুঠ ঘৰুৱা উৎপাদনত প্ৰায় ২০ লাখ কোটি টকাৰ সংযোজন কৰিব আৰু ইয়াৰ ফলত দেশত অৰ্থব্যৱস্থা অধিক টনকিয়াল হ'ব বুলি আশা কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয় যে ২০১৪ চনৰ পূৰ্বে সাধাৰণ ৰাইজ জটিল কৰৰ বোজা বহন কৰিবলগীয়া হৈছিল। বৰ্তমান কৰ ব্যৱস্থা সৰল কৰা হৈছে আৰু জি এছ্ টি সংস্কাৰেৰে ইয়াক সুস্থিৰ কৰি তোলা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

জি এছ্ টি পৰিষদে অহা ২২ ছেপ্তেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ সাধাৰণ জনতা, কৃষক আৰু কৃষি, স্বাস্থ্য, শ্ৰমিক, উদ্যোগকে ধৰি অৰ্থনীতিক মূল খণ্ডসমূহত যুক্তিসংগত সংস্কাৰ সাধনৰ সিদ্ধান্ত লৈছে। সকলো ব্যক্তিগত জীৱন বীমা আঁচনি, স্বাস্থ্য বীমা আঁচনি তথা জ্যেষ্ঠ নাগৰিকৰ বাবে থকা আঁচনিসমূহত জি এছ্ টি উঠাই লোৱাৰ বাবে পৰিষদে অনুমোদন জনাইছে। তদুপৰি জীৱন দায়িনী ঔষধ, ৩৩ প্ৰকাৰৰ কৰ্কট ৰোগৰ ঔষধৰ উপৰি বিভিন্ন চিকিৎসা সামগ্ৰী এই কৰ মুক্ত কৰা হৈছে। এই সিদ্ধান্তসমূহক সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে আদৰণি জনাইছে। এই সিদ্ধান্তৰ ফলত দেশৰ বজাৰৰ ১৭৫ বিধ সামগ্ৰীৰ ওপৰত থকা কৰৰ পৰিমাণ হ্ৰাস পাব।

০০০০০০০

দেশৰ যুৱ প্ৰজন্মৰ সৰলীকৰণৰ উদ্দেশ্যে কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত **কেম্পাছ টেংক** শীৰ্ষক উচ্চ পৰ্যায়ৰ ষ্টাৰ্টআপ অভিযানৰ শুভাৰম্ভ কৰে। এই অভিযানৰ অধীনত দেশৰ উঠি অহা প্ৰজন্মই নিজাকৈ ষ্টাৰ্টআপ স্থাপন কৰি আগবাঢ়ি যাবলৈ মঞ্চ প্ৰদান কৰা হ'ব। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে সৰ্বভাৰতীয় পৰ্যায়ত লোৱা এই পদক্ষেপত উদ্ভাৱনশীল যুৱ প্ৰজন্মক নিজৰ ষ্টাৰ্টআপসমূহ আগুৱাই নিবলৈ ৬০০ মিলিয়ন ডলাৰ বিনিয়োগ কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে এই কেম্পাছ টেংক হৈছে- দেশৰ সৰ্ববৃহৎ ষ্টাৰ্ট আপ অভিযান, যিয়ে যুৱ প্ৰতিষ্ঠাপকসকলক উদ্যমিতাৰ দিশত আগুৱাই নিবলৈ উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব। বিশ্বৰ ভিতৰতে ভাৰতক ষ্টাৰ্টআপৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে চৰকাৰৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ দেশৰ যুৱ প্ৰজন্মৰ গুৰুত্বৰ কথাও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত অত্যন্ত যোগাত্মক আৰু সুদুৰপ্ৰসাৰী বিস্তৃত তথা গোলকীয় কৌশলগত আংশীদাৰিত্ব আছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাপৰ এটা বিবৃতিত প্ৰতি ক্ৰিয়া প্ৰকাশ কৰি শ্ৰীমোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয় যে তেওঁ ৰাষ্ট্ৰপতি ট্ৰাম্পৰ আবেগ আৰু ভাৰত আমেৰিকাৰ সম্বন্ধৰ যোগাত্মক দিশসমূহক সন্মান কৰে।

ৱাছিংটনত যোৱা নিশা সংবাদ মাধ্যমত ৰাষ্ট্ৰপতি ট্ৰাম্পে কৈছিল যে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত থকা বিশেষ সম্বন্ধক লৈ চিন্তা কৰাৰ কাৰণ নাই। তেওঁ শ্ৰীমোদীক এজন দক্ষ প্ৰধানমন্ত্ৰী হিচাপে অভিহিত কৰি কৈছিল যে তেওঁলোকৰ বন্ধুত্ব অটুট থাকিব।

০০০০০০০

ভাৰতে ৰাছিয়াৰ পৰা তেল ক্ৰয় কৰি যাব বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰকাশ কৰিছে। এটা টি ভি ছেনেলৰ সৈতে হোৱা সাক্ষাৎকাৰত শ্ৰীতমী সীতাৰমণে কয় যে একমাত্ৰ ৰাষ্ট্ৰীয় স্বাৰ্থৰ খাতিৰত এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে ৰাছিয়াৰ পৰা তেলৰ আমদানিয়েই হওক বা আন কোনো বস্তুৰেই হওক দৰ আৰু পৰিবহন ব্যয়ৰ কথা বিবেচনা কৰি চৰকাৰে দেশৰ চাহিদাৰ দিশৰ পৰা উপযুক্ত সিদ্ধান্ত গ্ৰহণ কৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে আমেৰিকা যুক্তৰাষ্ট্ৰই ৫০ শতাংশ প্ৰতি শুল্ক আৰোপ কৰাৰ ফলত প্ৰভাৱিত ৰপ্তানিকাৰীসকলক সহায় কৰাৰ বাবে বিশেষ ব্যৱস্থা সন্দৰ্ভত কাম কৰি আছে। তেওঁ কয় যে আত্মনিৰ্ভৰ ভাৰত অভিযানৰ লক্ষ্য সকলো সামগ্ৰী দেশত নিৰ্মাণ কৰাই নহয় বৰং অনিশ্চয়তাৰে ভৰা গোলকীয় বাণিজ্য নীতিৰ ফলত উদ্ভৱ হ'বপৰা যিকোনো পৰিস্থিতিত আত্মসন্মান বৰ্তাই ৰখাও।

০০০০০০০

বিগত কিছুদিন ধৰি সংহাৰী ৰূপ ধাৰণ কৰা পাঞ্জাবৰ বান পৰিস্থিতি ক্ৰমাৎ নিয়ন্ত্ৰলৈ আহিছে।। বতৰ বিজ্ঞান বিভাগে অহা দুদিনত ৰাজ্যখনত নতুনকৈ বৰষুণ হোৱাৰ সম্ভাৱনাৰ আগলি বতৰা দিয়া নাই। অৱশ্যে বাক্ৰা আৰু পোংক বান্ধৰ পৰা নিয়ন্ত্ৰিতভাৱে পানী মুকলি কৰি দিয়া বিষয়টো এতিয়াও চিন্তাৰ কাৰণ হৈ আছে। ভাক্ৰা-ব্যাস ব্যৱস্থাপনা পৰিষদৰ অধ্যক্ষইবেছকৈ পানী মুকলি কৰি দিয়াৰ ফলত নতুনকৈ কোনো বিপদৰ আশংকা নাই বুলি আশ্বাস দিছে।

বান বিদ্ধস্ত ৰাজ্যখনত যোৱা দুদিনত নতুনকৈ কোনো লোক হতাহত হোৱাৰ বাতৰি পোৱা নাই। সাম্প্ৰতিক বানত ৰাজ্যখনৰ ২৩ খন জিলাৰ এহেজাৰ ৯৪৮ খন গাঁৱৰ ৩ লাখ ৮৪ হাজাৰ লোক প্ৰভাৱিত হৈছে। বানৰ ফলত শস্য পথাৰৰো বিস্তৰ ক্ষতি হৈছে আৰু ভালেসংখ্যক লোক গৃহহাৰা হৈছে।

কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে তেওঁ পাঞ্জাবত বানৰ ফলত হোৱা ক্ষয়-ক্ষতি বিশদ প্ৰতিবেদন প্ৰধানমন্ত্ৰীৰ ওচৰত দাখিল কৰিব। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কয় যে পাঞ্জাবৰ পৰিস্থিতি ভয়াবহ। কেন্দ্ৰীয় চৰকাৰে এই পৰিস্থিতি দূৰ কৰাৰ বাবে চেষ্টাৰ অকনো ত্ৰুটি নকৰে বুলি শ্ৰীচৌহানে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কেন্দ্ৰীয় চৰকাৰে চাজ্যখনলৈ সকলোধৰণৰ সহায় আগবঢ়োৱাৰ আশ্বাস দিয়ে।

০০০০০০০

আজি অনন্ত চতুৰ্দশীৰ দিনটোত মুম্বাইৰ গণেশ উৎসৱৰ সামৰণি পৰাৰ লগে লগে চহৰখনৰ বিভিন্ন অঞ্চলত দুহেজাৰতকৈ অধিক  গণেশৰ মূৰ্তি বিসৰ্জন দিয়া হৈছে। প্ৰশাসনৰ তথ্য অনুসৰি বিসৰ্জনত এতিয়ালৈকে কোনো দুৰ্ঘটনা সংঘটি হোৱা নাই। উল্লেখযোগ্য যে, মহাৰাষ্ট্ৰ প্ৰশাসনে গণপতিৰ মূৰ্তি বিসৰ্জন দিবলৈ ৭০ টা প্ৰাকৃতিক স্থানৰ উপৰি ২৯০ টা কৃত্ৰিম পুখুৰী সাজু কৰি তুলিছে। গণপতিক বিদায় জনাবলৈ মহানগৰৰ বীচ্চসমূহত হ'ব পৰা বৃহৎ জনসমাগমক পৰ্যবেক্ষণৰ বাবে বিভিন্ন স্থানত ১০ হাজাৰ শক্তিশালী কেমেৰা স্থাপন কৰাৰ লগতে গিৰগাওঁ চাওপট্টী, দাদৰ, জুহু, ভাৰ্ছ্ভা আৰু প'ৱাইৰ দৰে জনপ্ৰিয় বিসৰ্জন স্থানসমূহত বহুসংখ্যক আৰক্ষী নিয়োগ কৰা হৈছে।

আইন শৃংখলা বিভাগৰ যুটিয়া আয়ুক্ত সত্য নাৰায়ণে প্ৰকাশ কৰা অনুসৰি আজি মুম্বাইৰ ৰাজপথসমূহত প্ৰায় ২৫ হাজাৰ আৰক্ষীয়ে পৰিস্থিতিত চোকা দৃষ্টি ৰাখিব। নিৰাপত্তা ৰক্ষাত ড্ৰোনো ব্যৱহাৰ কৰা হ'ব। প্ৰথমবাৰৰ বাবে মুম্বাই আৰক্ষীয়ে গণপতি বিসৰ্জনৰ সময়ত পৰিস্থিতিৰ নিৰীক্ষণৰ বাবে এ আই, অৰ্থাৎ কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তি ব্যৱহাৰ কৰিব। আৰক্ষীয়ে বিসৰ্জনৰ পাছত মূৰ্তিৰ ফটোতোলা আৰু এনে ফটো সামাজিক মাধ্যমত প্ৰচাৰ কৰাত নিষেধাজ্ঞা জাৰি কৰিছে।

০০০০০০০

কৰ্প'ৰেট পৰিক্ৰমা মন্ত্ৰালয়ৰ অধিনস্থ বিনিয়োগৰাকী শিক্ষা আৰু সুৰক্ষা পুঁজি কৰ্তৃপক্ষই আজি এখন কমিটি গঠন কৰি বৰ্তমানৰ প্ৰক্ৰিয়াসমূহ পৰ্যালোচনা কৰে আৰু নিম্ন মূল্যৰ দাবীৰ ক্ষেত্ৰত নথিপত্ৰ সৰল কৰাৰ বাবে সংস্কাৰৰ পৰামৰ্শ দিয়ে। এই পদক্ষেপৰ ফলত সময়ৰ অপচয় হ্ৰাস পাব, স্বচ্ছতা বৃদ্ধি পাব আৰু বিনিয়োগকাৰীসকলক কোনো সমস্যা নোহোৱাকৈ সেৱা প্ৰদান কৰা হ'ব বুলি আশা কৰা হৈছে। এই পৰামৰ্শসমূহ গ্ৰহণ কৰিলে পাঁচ লাখ টকা পৰ্যন্ত ছিকিউৰিটি, ১৫ লাক টকা পৰ্যন্ত ডিমেট ছিকিউৰিটী আৰু ১০ হাজাৰ টকা পৰ্যন্ত লাভ্যাংশ মূল্যৰ দাবীৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ জৰ্জিয়াৰ এটা গাড়ী নিৰ্মাণ কাৰখানাত দেশখনৰ প্ৰব্ৰজনকাৰী সংস্থাই অভিযান চলাই ৫০০ গৰাকী লোকক আটক কৰিছে। উল্লেখযোগ্য যে বৈদ্যুতিক বাহন নিৰ্মাণ কৰা এটা কোৰিয়ান কোম্পানীত অভিযান চলাই আটক কৰা লোকসকলৰ অধিকাংশশই কোৰিয়াৰ নাগৰিক। ইপিনে দক্ষিণ কোৰিয়াৰ বিদেশ মন্ত্ৰী

চৌ হিইনে আজি জৰ্জিয়াত অভিযান চলাই শতাধিক কোৰিয়ান নাগৰিকক আটক কৰাৰ ঘটনাটোৰ নিশ্চয়তা প্ৰদান কৰে। তেওঁ লগতে কয়, যে এই বিষয় সন্দৰ্ভত আলোচনা কৰিবলৈ তেওঁ শীঘ্ৰেই আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ কৰিব।

০০০০০০০

বিহাৰৰ ৰাজগীৰত অনুষ্ঠিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ আজি ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত ভাৰত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। আজি অনুষ্ঠিত হোৱা প্ৰথমখন খেল কোৰিয়াই মালয়েছিয়াক ৪-৩ গলত পৰাস্ত কৰিছে। কাইলৈ প্ৰতিযোগিতাৰ চেমিফাইনেল আৰু ফাইনেল খেল অনুষ্ঠিত হ'ব। সন্ধিয়া চাৰে সাত বজাত ৰাজগীৰ আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত চূড়ান্ত খেলখন অনুষ্ঠিত হ'ব।

০০০০০০০

দক্ষিণ কোৰিয়াৰ গুৱাংজুত আজিৰে পৰা হ'বলগীয়া বিশ্ব আৰ্চাৰী প্ৰতিযোগিতাত ভাৰতৰ এটা ১২ জনীয়া দলে অংশ ল'ব। প্ৰতিযোগিতাত যোৱাবাৰ ৩টা সোণ আৰু এটা ব্ৰঞ্জৰ পদকেৰে শীৰ্ষত থকা ভাৰতে এই সাফল্যৰ পুনৰাবৃত্তি কৰাৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। অৱশ্যে যোৱাবাৰৰ চেম্পিয়ন অ'জাছ দেওতালে আৰু অদিতী গোপীচান্দ স্বামী দলৰ বাবে কোৱালিফাই নোহোৱাত এইবাৰৰ প্ৰতিযোগিতাত ভাগ ল'ব নোৱাৰে। উল্লেখযোগ্য যে ৰিকাৰ্ভ আৰ্চাৰীত ভাৰতে এতিয়ালৈকে সোণৰ পদক জয় কৰা নাই। এইবাৰো পুনৰ দিপিকা কুমাৰী আৰু ধীৰাজ বোম্মাদেৱাৰাই সোণৰ পদক জয়ৰ চেষ্টা চলাব। এইবাৰ পুৰুষৰ ৰিকাৰ্ভ দলৰ পৰা তৰুণদীপ ৰায় আৰু অতনু দাসৰ দৰে অভিজ্ঞ খেলুৱৈ বাহিৰ হৈছে।

০০০০০০০

ব্ৰাজিলত চলি থকা সপ্তদশ বিশ্ব উচু চেম্পিয়নশ্বিপত ভাৰতীয় এথলীটৰ দলটোৱে সুন্দৰ প্ৰদৰ্শন অব্যাহত ৰাখিছে। শক্তিশালী প্ৰদৰ্শনেৰে ভাৰতীয় দলটোৰ তিনিগৰাকী মহিলা খেলুৱৈয়ে প্ৰতিযোগিতাৰ ফাইনেলত উপনীত হোৱাৰ লগতে দুগৰাকী পুৰুষ খেলুৱৈ নকআউট পৰ্যায়ত উপনীত হৈছে। মহিলাৰ ৫২ কেজি ওজন শাখাৰ চেমিফাইনেলত ভাৰতীয় এথলীট অপৰ্ণাই ইণ্ডোনেছিয়াৰ থাৰিছা দি ফ্ল'ৰিয়েণ্টিনাক পৰাস্ত কৰিছে। অপৰ্ণাই ফাইনেলত ভিয়েটনামৰ নগ' থি ভোয়ং নগাৰ বিৰুদ্ধে খেলিব। ইপিনে ৬০ কেজি ওজন শাখাৰ চেমিফাইনেলত ভাৰতৰ কৰীনা কৌশিকে দমনীয় প্ৰদৰ্শনেৰে ব্ৰাজিলৰ নাথালিয়া ব্ৰিকুৰেছি ছিল্‌ভাক পৰাস্ত কৰিছে। ফাইনেলত কৰীনাই চীনৰ জিয়াৱে ওৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে সাগৰ দাহিয়াই পুৰুষৰ ৫৬ কেজি ওজন শাখাৰ চেমিফাইনেলত ফিলিপিন্সৰ কাৰ্লোছ বেলন জুনিয়ৰৰ সন্মুখীন হোৱাৰ লগতে বিক্ৰান্ত বালিয়নে কোৱাৰ্টাৰ ফাইনেলত চীনৰ জেংনচেং জিনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

সমাপ্ত